# REGIONAL NEWS UNIT
# AKASHVANI :: GUWAHATI
# 0000000000

**Date : 04-03-2025**
**Time :** 21-25 Hrs

## *Assamese Night Bulletin*

**::::::::::::::::::::::::::::::::**

ৰাজ্যৰ মন্ত্ৰীসভাই ৩৩৮ কোটি টকা ব্যয় সাপেক্ষে ৪৬ টা বান আৰু খহনীয়া ব্যৱস্থাপনা প্ৰকল্পৰ প্ৰস্তাৱত অনুমোদন জনাইছে। মন্ত্ৰীসভাই বিনিয়োগ আৰু আন্তঃগাথনি সন্মিলন এডভাণ্টেজ আচামৰ সময়ত স্বাক্ষৰিত বুজাবুজিৰ চুক্তি অনুসৰি তিনিচুকীয়াত মা কামাখ্যা ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয় অসম আৰু ছিপাঝাৰত এডটেক দক্ষতা বিশ্ববিদ্যালয় অসম নামৰ দুখন নতুন বিশ্ববিদ্যালয় স্থাপনৰ বাবে বিধানসভাত বিধেয়ক উত্থাপন কৰিবলৈ সিদ্ধান্ত লয়। আজি বিয়লি দিশপুৰত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। ৰাজ্যখনক আকৰ্ষণীয় ঔদ্যোগিকস্থলী হিচাপে গঢ়ি তোলাৰ বাবে মন্ত্ৰীসভাই অসম বৈদ্যুতিন প্ৰণালী আৰ্হি আৰু নিৰ্মাণ নীতি ২০২৫, আৰু অসম ভেষজ আৰু চিকিৎসা সজুলি নীতি ২০২৫ ত অনুমোদন দিছে বুলি ডঃ শৰ্মাই জানিবলৈ দিয়ে। ৰাজ্যৰ অভিযান্ত্ৰিক পাঠ্যক্ৰম সম্পূৰ্ণ কৰা যুৱক-যুৱতীসকলক লোক নিৰ্মাণ বা জলসম্পদ বিভাগত ঠিকাৰ বাবে নিবিদা দাখিল কৰিব পৰাকৈ প্ৰয়োজনীয় চৰ্তাৱলী শিথিল কৰাৰ বাবেও মন্ত্ৰীসভাই সিদ্ধান্ত লয়।

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান-আই আই টিৰ পৰা উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ সৰ্বভাৰতীয় সংগঠনৰ সহযোগত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ তত্বাৱধানত অসমত যুৱক-যুৱতীৰ দক্ষতা বিকাশৰ বাবে ১০ টা দক্ষতা কেন্দ্ৰ স্থাপন কৰা হ'ব। ৯০ কোটি টকা ব্যয় সাপেক্ষ এই প্ৰকল্পৰ ১০ শতাংশ ৰাজ্য চৰকাৰে আৰু বাকী অংশ আই আই টিৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সংগঠনে বহন কৰিব। দক্ষতা বিকাশৰ পাঠ্যক্ৰম গ্ৰহণ কৰা যুৱক-যুৱতীসকলৰ কৰ্মসংস্থাপন দিয়াৰ ব্যৱস্থাও আই আই টিৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ এই সংগঠনে গ্ৰহণ কৰিব।

এতিয়াৰ পৰা অসমত ব্যক্তিগত বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ ৰাষ্ট্ৰীয় সুৰক্ষাৰ ক্ষেত্ৰত স্পষ্টীকৰণ দিয়াটো বাধ্যতামূলক কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত লয়। মুখ্যমন্ত্ৰী ডং শৰ্মাই এই বিষয়ে প্ৰকাশ কৰি কয়, যে নতুনকৈ স্থাপিত বিশ্ববিদ্যালয়সমূহে ধৰ্মনিৰপেক্ষ নীতি গ্ৰহন কৰিব লাগিব। এই প্ৰতিষ্ঠানসমূহ প্ৰত্যক্ষ বা পৰোক্ষভাৱে ধৰ্মান্তৰকৰণৰ বিষয়ৰ সৈতে জড়িত হ'ব নোৱাৰিব। যিকোনো চৰকাৰী ভৱন নিৰ্মাণৰ ক্ষেত্ৰত ন্যূনতম ৫ শতাংশ বাঁহৰ সামগ্ৰী ব্যৱহাৰ বাধ্যতামূলক কৰিবলৈকো মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে।

মন্ত্ৰীসভাই জাগিৰোডৰ টাটা অসম চেমিকনডাক্টৰ এণ্ড লজিষ্টিক পাৰ্ক, টাটা ও এছ্ এ টি চেণ্টাৰ সামৰি প্ৰস্তাৱিত নগৰখনক ৰতন টাটা ইলেকট্ৰনিক্স ছিটি নামেৰে নামকৰণ কৰাৰ সিদ্ধান্ত লয়। মন্ত্ৰীসভাই লগতে এডভাণ্টেজ আচামৰ সফল আয়োজনৰ ক্ষেত্ৰত আগবঢ়োৱা সহায় সমৰ্থনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শলাগ লয়।

০০০০

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যই পণ্ডিত ৰবিশংকৰ শুক্লা মহাবিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱ আসনৰ বাবে ধন আৱণ্টন কৰাৰ বাবে ছত্তিশগড়ৰ ৰাজ্যপাল ৰমেন ডেকা আৰু মুখ্যমন্ত্ৰী বিষ্ণু দেও ছাইক ধন্যবাদ জ্ঞাপন কৰিছে। অসম আৰু ছত্তিশগড়ৰ মাজৰ  দৃঢ় সাংস্কৃতিক সম্পৰ্কক প্ৰতিফলিত কৰা এই প্ৰচেষ্টাৰ শলাগ লৈ ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আজি কয় যে, আসনখনৰ জৰিয়তে বিদ্বানসকলে অসমৰ ইতিহাস, শিল্প, সাহিত্য, আধ্যাত্মিক উত্তৰাধিকাৰৰ ক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱৰ গভীৰ প্ৰভাৱৰ বিষয়ে জানিব পাৰিব। তেওঁ কয়, যে শ্ৰীমন্ত শংকৰদেৱ আসনৰ প্ৰতিষ্ঠাই ভক্তি, আন্দোলন, সংস্কৃতিলৈ মহাপুৰুষজনাৰ গভীৰ অৱদানৰ অধ্যয়নক আগুৱাই নিয়াত সহায় কৰিব। উল্লেখযোগ্য যে ছত্তিশগড় চৰকাৰে পণ্ডিত ৰবিশংকৰ শুক্লা বিশ্ববিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱ আসন স্থাপনৰ বাবে ২ কোটি টকা আগবঢ়াইছে।

০০০০

উত্তৰ পূৰ সীমান্ত ৰেলৱেই ফাকুৱাৰ সময়ত যাত্ৰীৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি **নাৰেঙ্গী আৰু গোৰখপুৰ, কামাখ্যা আৰু আনন্দবিহাৰৰ** মাজত দুখন বিশেষ ৰেলগাড়ী চলাচল কৰোৱাৰ সিদ্ধান্ত লৈছে। ০৫৬৩৩ নম্বৰৰ বিশেষ ৰেলগাড়ীখনে ৬ মাৰ্চৰ পৰা ২৭ মাৰ্চলৈকে প্ৰতি বৃহস্পতিবাৰে মুঠ ৪ বাৰ নাৰেঙ্গীৰ পৰা গোৰখপুৰলৈ যাত্ৰা কৰিব।

০২৫২৫ নম্বৰৰ বিশেষ ৰেলগাড়ীখনে ৭ মাৰ্চৰ পৰা ২৮ মাৰ্চলৈ প্ৰতি শুকুৰবাৰে মুঠ ৪ বাৰ কামাখ্যাৰ পৰা আনন্দবিহাৰলৈ যাত্ৰা কৰিব।

ইয়াৰ উপৰি উত্তৰ পূৰ সীমান্ত ৰেলৱেই এই সময়ছোৱাত  কাটিহাৰ আৰু অমৃতচৰৰ মাজতো প্ৰতি বৃহস্পতিবাৰে এখন বিশেষ ৰেলগাড়ী চলাচল কৰাব। এই ৰেলগাড়ীকেইখনৰ যাত্ৰাৰ বিস্তাৰিত সূচী IRCTC ৰ ৱেবছাইটত পোৱা যাব বুলি উত্তৰ পূৰ সীমান্ত ৰেলৱেৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০

অসম আৰক্ষীৰ ২০২ টা উপ পৰিদৰ্শক পদ আৰু অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনীৰ এটা সহকাৰী উপ নিয়ন্ত্ৰক পদৰ  লিখিতপৰীক্ষাৰ ফলাফল অহা ৬ মাৰ্চত ঘোষণা কৰা হ'ব। www.slprb assam.in ৱেবছাইটযোগে পুৱা এঘাৰ বজাত ফলাফল উপলব্ধ  হ'ব। অসম আৰক্ষীৰ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি পৰিষদে জাৰি কৰা এখন জাননী অনুসৰি প্ৰাৰ্থীসকলে সংশ্লিষ্ট ৱেবছাইটত আবেদনৰ নম্বৰ নাম আৰু জন্মৰ তাৰিখ দাখিল কৰি ফলাফলসমূহ লাভ কৰিব। লগতে, বিভিন্ন শাখাৰ উপ পৰিদৰ্শক পদৰ লিখিত পৰীক্ষাত উত্তীৰ্ণসকলৰ বাবে ১৭ মাৰ্চৰ পৰা ২১ মাৰ্চলৈ  কাহিলীপাৰাৰ চতুৰ্থ আৰক্ষী বেটেলিয়ন চৌহদত পুৱা ৭ বজাৰ পৰা শাৰিৰীক মান আৰু শাৰিৰীক যোগ্যতা পৰীক্ষা অনুষ্ঠিত হ'ব।   লিখিত পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীসকলে শাৰিৰীক মান আৰু শাৰিৰীক যোগ্যতা পৰীক্ষাৰ বাবে ৯ মাৰ্চৰ পুৱা এঘাৰ বজাৰ পৰা সংশ্লিষ্ট ৱেবছাইটৰ পৰা প্ৰৱেশপত্ৰ ডাউনলোড কৰিব পাৰিব। এটাতকৈ অধিক পদত উত্তীৰ্ণ প্ৰাৰ্থীসকলে প্ৰৱেশপত্ৰ ডাউনলোড কৰাৰ পূৰ্বে কোনটো পদৰ বাবে অধিক আগ্ৰহী সেয়া উল্লেখ কৰিব লাগিব।  যিকোনো কাৰিকৰী সহায়ৰ বাবে প্ৰাৰ্থীসকলে ৮১০৮০১ ৪৯৪৭ নম্বৰত যোগাযোগ কৰিব পাৰিব।

০০০০

অষ্ট্ৰেলিয়াই ডুবাইত অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত আজি ভাৰতক জয়ৰ বাবে ২৬৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৪৯ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৬৪ ৰাণ সংগ্ৰহ কৰে।

প্ৰত্যুত্তৰত ভাৰতে আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে  ৪৬ অভাৰত ৫টা উইকেট হেৰুৱাই ২৩৮ ৰাণ সংগ্ৰহ কৰি খেলি আছিল।

প্ৰতিযোগিতাত কাইলৈ লাহোৰত হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত নিউজিলেণ্ড আৰু দক্ষিণ আফ্ৰিকা মুখামুখি হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ